# আমাৰ এ.পি.এল.

ĀMĀR APL Vol-005 | October 2021







## COMMITTEE ON PUBLIC UNDERTAKINGS VISITED APL





The Hon'ble Chairman Sri Ramendra Narayan Kalita and members of Committee on Public Undertakings of Assam Legislative Assembly including Sri Prodip Hazarika, Hon'ble MLA, Amguri LAC, Sri Terash Gowala, Hon'ble MLA, Duliajan LAC, Sri Charan Boro, Hon'ble MLA, Majbat LAC along with Sri Taranga Gogoi, Hon'ble MLA, Naharkatia LAC and few top Govt. officials visited our Company on 08.10.2021.

On their visit, the Committee Members along with the APL officials visited APL's ambitious 500 TPD Methanol Project and existing units.

Besides, a meeting was held at Company's Conference Hall wherein the progress of 500 TPD Methanol Project and it's implementation status and future prospects were discussed.

APL conveyed profound gratitude to the Hon'ble Chairman and members of Committee on Public Undertakings for their visit during the Golden Jubilee year of the company.

## COMMITTEE ON EMPLOYMENT REVIEW VISITED APL





The Hon'ble Members of Employment Review Committee, Assam Legislative Assembly led by Shri Prithviraj Rabha, Chairman of the Committee and Hon'ble MLA ,Tezpur LAC and other members cum MLAs visited our company on 05.10.2021.

On their visit a meeting was held with the officials of APL wherein they reviewed the Employment Status of APL. Besides APL management also apprised them about the latest development and status of ambitious 500 TPD Methanol Project.

## SIGNING OF MOU

A broad based MoU for Centre of Excellence for Petroleum Research was signed between APL and CSIR-NEIST, Jorhat on 20.09.2021 at APL to undertake activities of mutual interest and benifits.



## 75th INDEPENDENCE DAY CELEBRATED

Assam Petro-Chemicals Limited celebrated India's 75th Independence Day with patriotic fervour and enthusiasm following Covid-19 protocols. Sri Atul Ch. Barman, Hon'ble Managing Director hoisted the National Tricolour. He also inspected the 'Guard of Honor' by the security personnel of APL. Likewise, Independence Day was also celebrated at APL' s Boitamari Project Office, Bongaigaon with pomp and gaiety.



## MESSAGE FROM CHAIRMAN



First of all my heartiest congratulations to our Newsletter Editorial Committee for successful publication of 'Amar APL's Golden Jubilee Issue and believe that this news letter will serve as a refreshment that will lead in boosting up the latent creative talents of APL family and keep them updated regarding any progress , new developments and events by maintaining transparency.

It's a matter of pride, that despite the challenges posed by Covid-19 pandemic our company has done tremendous performance and able to get record breaking turnover i.e. Rs 62 crores during the month of April to September 2021. I feel much proud and think that such an achievement has added glory to our Golden Jubilee Year and again it has proved the ability, sincerity and dedication of each employee associated with the company and I wholeheartedly appreciate their effort in this regard.

Moreover, our employees have stood up successfully committing their endless hard work and support in the establishment of the new 500 TPD Methanol project plant as well as taking forward the existing plant in order to raise a standard and create benchmark in the economy of Assam as well as India.

I pray and wish for the upcoming journey of APL Namrup and appreciate the continuous hard work of the employees. Wish you all a Happy Diwali !!!!

Bikul Ch. Deka

## VISHWAKARMA PUJA CELEBRATION



## MESSAGE FROM MD'S DESK



With immense pleasure, I feel happy and proud to inform all of you that our company has achieved the highest turnover (Rs. 12 crores) in its history during this month of September 2021 from the existing plant. Also, adding to this moment of joy, I am glad to share that we have broken our record by achieving the highest 6 months turnover (April-September) i.e. Rs. 62 crores (approx) that has never ever happened earlier.

I am grateful to all my colleagues and employees of APL who have made this possible in the Golden Jubilee Year of the Company and I sincerely acknowledging the effort and hard work that has been put in by everyone despite Covid-19 pandemic.

Moreover, our newsletter has completed four successful publication including the Golden Jubilee Issue and the fifth one has marked the one year it's recommencement. Hence,heartiest congratulation to the Newsletter Editorial Committee for putting their effort to keep the momentum of our newsletter intact.

Let us equally be prepared for a promising future with the advent of APL's upcoming 500 TPD Methanol Project at Namrup and 200 TPD Formalin Project at Boitamari.

Lastly I wish all success to the employees of APL for their utmost dedication for the upliftment of this organization and also extend my best wishes for Diwali.

Atul Ch. Barman

## VISIT TO THE OFFICE OF HON'BLE MINISTER OF STATE



The Management of APL met Shri Rameswar Teli, Hon'ble Minister of State in the Ministry of Petroleum and Natural Gas & Labour and Employment, Government of India and MP, Dibrugarh on 27.09.2021 at New Delhi for allocation of Natural Gas for APL's existing units along with subsidy.

# সম্পাদকীয়

## সফলতাৰ পাঁচটা দশক

১৯৭১ চনৰ ১৫ জুনত প্ৰথম মিথানল গোটটোৰ আধাৰশিলা স্থাপনৰ সেই ঐতিহাসিক স্বৰ্ণিল মুহুৰ্তৰ পৰা যাত্ৰা আৰম্ভ কৰি নিৰৱচ্ছিন্নভাৱে উৎপাদনৰ ধাৰা অব্যাহত ৰাখি অহা আমাৰ সকলোৰে অতি হেঁপাহ আৰু আদৰৰ উদ্যোগ প্ৰতিস্থান এ.পি.এলে গৌৰৱোজ্জ্বলভাৱে সুদীৰ্ঘ পাঁচটা দশক অতিক্ৰম কৰি আজি অন্য এক বহু আকাংক্ষিত সপোন বাস্তৱায়িত কৰাৰ অন্তিম ক্ষণত উপনীত হৈছেহি।

পৰৱৰ্তী অৰ্দ্ধ শতিকাৰ দুৱাৰদলিত ঠিয় হৈ আমি সৰ্বপ্ৰথমেই স্মৰণ কৰোঁ ৭০ ৰ দশকতে প্ৰথম গোটটোৰ বাবে আগমন ঘটা কৰ্মপটু জাপানী প্ৰযুক্তিবিদ আৰু কাৰিকৰী ব্যক্তিসকলক আৰু তাৰ পৰৱৰ্তী পৰ্যায়ৰ গোটকেইটাৰ বাবে অহা বৃটিছ আৰু স্পেনিছ প্ৰযুক্তিবিদসকলক, প্ৰতিটো প্লান্টৰ নিৰ্মাণৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা ভিন ভিন সময়ত আহি কৰ্মযজ্ঞৰ পাতনি মেলা অভিযন্তা আৰু নিৰ্মাণ শ্ৰমিকসকলক।

সেই তাহানিৰে পৰা সকলোৰে অলক্ষিতে নীৰৱে সেৱা আগবঢ়াই অহা উৎপাদিত সামগ্ৰী অতি বিপদসংকুল পৰিস্থিতিৰ মাজতো দেশৰ দূৰ-দূৰণিৰ বিভিন্ন প্ৰান্তলৈ পৰিবহন কৰি নিয়া টেংকাৰ চালকসকল, চৌবিছ ঘন্টাই নিৰাপত্তাৰ দিশটো সতৰ্কতাৰে নিৰীক্ষন কৰি থকা নিৰাপত্তাৰক্ষীসকল, প্ৰতিস্থানটোৰ চৌপাশ পৰিস্কাৰ কৰি বাসোপযোগী কৰি ৰখা চাফাই কৰ্মীসকল, উদ্যোগটোৰ প্ৰয়োজন সাপেক্ষে শ্ৰমদান কৰিবলৈ সদা প্ৰস্তুত পাৰ্শ্বৱৰ্তী গ্ৰামাঞ্চলৰ অস্থায়ী শ্ৰমিকসকল - এই সকলোৰে উদ্যোগটোৰ জয়যাত্ৰাত এক উল্লেখনীয় ভূমিকা আছে।

বহু ঘাত-প্ৰতিঘাত আৰু উত্থান-পতনৰ সাক্ষী হৈ আহিছে অৰ্দ্ধ শতিকা গৰকা উদ্যোগটোৱে, অতিক্ৰম কৰি আহিবলগীয়া হৈছে সন্ধিক্ষনৰ বহু জটিল মুহুৰ্ত। বিভিন্ন সময়ত সন্মুখীন হোৱা বিভিন্ন প্ৰতিকুলতাকো নেওছি সমৃদ্ধি আৰু সফলতাৰ এই সুদীৰ্ঘ পৰিক্ৰমাত জীৱনৰ সৰ্বোৎকৃষ্ট সময়খিনি অৰ্পণ কৰা প্ৰতিজন কৰ্মৰত, অৱসৰ গ্ৰহণ কৰা অথবা পৰলোক গমন কৰা ব্যক্তিৰ অৱদান চিৰস্মৰণীয় হৈ ৰব।

উদ্যোগটোৰ লগত একাত্মতা অনুভৱ কৰিব পৰা বাবেই হয়তো কোন কাহানিবাই মেলানি মাগি অৱসৰোত্তৰ জীৱন যাপন কৰি যোৱাজনেও আজি এ.পি.এলৰ সুখত সুখী হয় দুখত মৰ্মাহত হয়, অতীত স্মৃতি ৰোমন্থন কৰি অনাবিল আনন্দানুভূতিত নিমজ্জিত হয়। নিজৰ কৰ্মস্থলীৰ পৰা চিৰ বিদায় লোৱাৰ অন্তিম ক্ষণতো প্ৰাৰ্থনা কৰি যায় উদ্যোগটোৰ শ্ৰীবৃদ্ধি কামনা কৰি।

সেয়াই হৈছে এ.পি.এল., আনতকৈ কিছু পৃথক। যি দিনালৈকে এ.পি.এল. নামৰ বিশাল পৰিয়ালটোৰ প্ৰতিজন সদস্য উদ্যোগটোৰ লগত একাত্ম হৈ থাকিব, যি দিনালৈকে ৮৫০° ৰো অধিক উষ্ণতাত অহৰ্নিশে দহি দহি মিথানল উৎপাদনৰ বাবে প্ৰয়োজন হোৱা প্ৰাকৃতিক গেছ বুকুয়েদি প্ৰবাহিত কৰিও স্থিতপ্ৰজ্ঞ হৈ থকা তীখাৰ নলীবোৰৰ বেদনা হৃদয়ত অনুভৱ কৰিব পাৰিব সিমান দিনলৈকে এ.পি.এলৰ জয়যাত্ৰা অব্যাহত থাকিব।

প্ৰথম অৰ্দ্ধ শতিকাত গঢ় লৈ উঠা প্লান্ট কেইটা যেনেকৈ সমাপ্তিৰ দিশলৈ গতি কৰা ৫০০ টনৰ নিৰ্মীয়মান প্ৰকল্পটোৰ বাবে এক শক্তিশালী আধাৰ হিচাবে ঠিয় হৈ ৰ'ল, ঠিক তেনেকৈ সেই প্লান্টটোৰ বোকোচাত উঠি অনাগত দিনত জন্ম লাভ কৰক শতিকাৰ সৰ্ববৃহৎ মিথানল প্ৰকল্পটোৰ, যিয়ে নেকি এপিএলক আগবঢ়াই লৈ যাব পৰৱৰ্তী অৰ্দ্ধ শতিকাৰ সমাপ্তিৰ দিশলৈ।

## MESSAGE FROM DIRECTOR (FINANCE)



At the onset I would like to bestow my gratitude to the Newsletter Editorial Committee for successful publication of Amar APL Golden Jubilee issue and hope that the current issue along with upcoming ones will serve as the mirror of our organization. It's a year now after we recommenced this publications and glad to note that during this period the Editorial Board have come out with four editions along with this fifth edition.

As we all know that our company has achieved tremendous success in terms of turnover in last 6 months which is a record-breaking amount of Rs. 62 crores(approx.) despite the hurdles posed by Covid-19 pandemic. Hence, I would like to salute the dedication of each and every employee which again proved that with TEAM (Together We Can Achieve More) effort we can overcome all the challenges.

Besides, an euphoric tomorrow is arriving with the commissioning of our ambitious 500 TPD Methanol and 200 TPD Formalin Plant. Hence more responsibilities will come with more challenges. I am hopeful that the coming days will endow us with new impetus and enthusiasm to carry out our duties and responsibilities for the greater good of the Company. On this festive occasion, my best wishes to all for Kali Puja and Diwali.

K.A. Murali

## INAUGURATION OF ATM SERVICE





The Hon'ble Chairman of APL, Sri Bikul Ch. Deka inaugurated 'Punjab National Bank ATM service' in gracious presence of Managing Director of APL Sri Atul Ch. Barman , senior officials of the company along with the representatives of APL Officers' Association and Workers' Union on 08.10.2021 at APL township.

## VISIT TO THE CMD OFFICE OF OIL, NOIDA



The Chairman, Managing Director, and Director(Finance) of APL met CMD, Oil India Limited on 28.09.2021 at OIL Head Office, New Delhi for allocation of additional 0.11 MMSCMD Natural Gas to continue operation of the existing Methanol plant after commissioning of 500 TPD Methanol project.

## VISIT TO EIL, GURUGRAM OFFICE



APL's senior Management reviewed the project status of 500 TPD Methanol Plant at EIL office, Gurugram, New Delhi on 28.09.2021

## VISIT TO THE OFFICE OF HON'BLE UNION MINISTER



The Senior Management of APL met Hon'ble Union Minister Sri Sarbananda Sonowal on 28.09.2021 and apprised him about the future prospects and developments of the company.

## MEETING WITH MD & CEO, PUNJAB NATIONAL BANK



Meeting with Mr S. S. Mallikaranjan Rao Managing Director & CEO of Punjab National Bank at his office on 29.09.2021 in New Delhi.

## শ্ৰদ্ধাঞ্জলি

**স্বৰ্গীয় পুতুল খড়ীয়া**



জন্ম ঃ ০১.০৭.১৯৬৭
মৃত্যু ঃ ০৭.০৮.২০২১

স্বৰ্গীয় পুতুল খড়ীয়াদেৱে ০১.০২.১৯৯২ এ.পি.এল.ত যোগদান কৰে। মৃত্যুৰ সময়লৈকে তেখেত Maintenance বিভাগৰ Instrumentation শাখাত কৰ্মৰত থকাৰ উপৰিও এপিএল শ্ৰমিক সংঘৰ সভাপতি পদত অধিষ্ঠিত আছিল।

**স্বৰ্গীয় ধীৰেণ গগৈ**



জন্ম ঃ ৩০.১১.১৯৬৪
মৃত্যু ঃ ২৬.০৯.২০২১

স্বৰ্গীয় ধীৰেণ গগৈদেৱে ০১.১১.১৯৯৪ চনত এ.পি.এল.ত যোগদান কৰে। তেখেত মানৱ সম্পদ বিভাগৰ নিৰপত্তা শাখাত কৰ্মৰত আছিল।

## ART GALLERY



By Ananta Dutta



By R.K. Spandan Singh
Class II
BVFC Model HS School

## EMPLOYEES RETIRED FROM THE SERVICE OF APL BETWEEN AUGUST - SEPTEMBER 2021



A.B. Gohain Baruah
Manager
(Q.C.)



Nobin Ch. Borah
Asstt. Manager
(F&A)



Abdul Selim
Dy. Manager
(F&A)



Someer Kr. Sarmah
Asstt. Manager
(Prodn.)

## VISIT OF HON'BLE MINISTER OF STATE



Hon'ble Minister of State, Ministry of Petroleum and Natural Gas & Labour and Employment, Government of India and MP, Dibrugarh HPC Sri Rameswar Teli visited APL Ghy Registered Office on 01.09.2021.

## VISIT TO THE OFFICE OF CHIEF SECRETARY AND PRINCIPAL SECRETARY





Shri Atul Ch. Barman, Managing Director and Shri K. A. Murali, Director (Finance) visited respected Chief Secretary to the Government of Assam Shri Jishnu Barua, IAS and Principal Secretary to the Government of Assam, Industries and Commerce and PE Department Dr. KK Dwivedi on 5th Oct 2021.

## "আমাৰ এ.পি.এল"ৰ জন্ম লগ্ন

"আমাৰ এ.পি.এল." গৃহ বার্তালোচনীখনৰ জন্ম লগ্ন সম্পৰ্কে উল্লেখ কৰিবলৈ যোৱাৰ আগতে এই বিষয়ে চমুকৈ এটি আভাষ দাঙি ধৰিব বিচাৰিছো। গৃহ বার্তালোচনীখন হৈছে এটি প্রতিষ্ঠানৰ মুখপত্র। এই আলোচনীৰ জৰিয়তে উদ্যোগটোৰ সকলো বিষয়া-কর্মচাৰীক প্রতিষ্ঠানটোৰ বর্তমানৰ অৱস্থা, ভৱিষ্যত আঁচনি আদিৰ এটি সম্যক ধাৰণা দিব পাৰি, কর্তৃপক্ষ আৰু তেওঁলোকৰ মাজত এক সু-সমন্বয় গঢ়ি তোলাৰ লগতে ঔদ্যোগিক সুৰক্ষা, প্রদূষণ মুক্ত পৰিবেশ আদিৰ হকে সকলোৰে মাজত এক গণ সচেতনতা সৃষ্টি কৰিব পাৰি। উদ্যোগটোৰ বিভিন্ন বিভাগৰ বিভিন্ন শেহতীয়া বা-বাতৰি আদিৰ বিষয়েও গৃহ বার্তালোচনীখনৰ জৰিয়তে বহুতো কথা অৱগত কৰিব পাৰি।

আমাৰ প্রতিষ্ঠানটোৰ তৰফৰ পৰা গৃহ বার্তালোচনী এখন প্রকাশ কৰাৰ উদ্দেশ্যে প্রথম অৱস্থাত বহুতো আলোচনা-বিলোচনা কৰা হৈছিল। কিন্তু অন্যান্য উদ্যোগ প্রতিষ্ঠানৰ দৰে এপিএলত প্রয়োজনীয় পৰিকাঠামোৰ লগতে উপযুক্ত মানৱ সম্পদৰো অভাৱ আছিল। এনে অৱস্থাত সময় মতে গৃহবার্তালোচনী এখন প্রকাশ কৰাটো সম্ভৱপৰ নাছিল। তথাপি বহু চিন্তা-চর্চাৰ অন্তত প্রথম অৱস্থাত এপিএল নিউজ আৰু এপিএল বার্তা নাম দি টাইপ কৰি এখনি গৃহ বার্তালোচনী প্রকাশ কৰা হৈছিল ১৯৮৫ চনত। আনহাতে সেই সময়ত আজিৰ দৰে কম্পিউটাৰৰ প্রচলন নাছিল। কিছু দিনৰ পাছত নানা অসুবিধাবশতঃ এই প্রচেষ্টা ত্যাগ কৰিব লগা হয়।

কিছু দিনৰ বিৰতিৰ পাছত ছপা আকাৰত ফটো সহ এখনি গৃহ বার্তালোচনী প্রকাশৰ হকে প্রচেষ্টা হাতত লোৱা হয়। সম্পাদনা সমিতিৰ পৰামর্শক্রমে নাম ৰখা হয় "আমাৰ এ.পি.এল।" আলোচনীখন উন্নত মানদণ্ডৰে ছপা কৰিবলৈ নামৰূপ আৰু ইয়াৰ আশে-পাশে উন্নত মানৰ ছপাশাল নথকাত ডিগবৈৰ অসম প্রিন্টিং প্রেছত ছপা কৰিবলৈ লোৱা হয়। কিন্তু পুঁজিৰ অভাৱত পাছলৈ নাহৰকটীয়াৰ হেমকোষ প্রেছত ছপা কৰিবলৈ লোৱা হয়।

খুব উন্নত মানৰ ছপা নহলেও এইদৰেই কেইবাটিও সংখ্যা প্রকাশ কৰা হৈছিল। অৱশ্যে সেই সময়তে লাহে লাহে উদ্যোগটোৰ বিত্তীয় অৱস্থা নিম্নগামী হোৱাত লগতে উৎপাদিত সামগ্রী বিক্রীৰ বজাৰৰ সমস্যা আদিয়ে দেখা দিয়াত প্রতিষ্ঠানটোৱে ব্যয় সংকোচনৰ পদক্ষেপ হাতত লবলৈ বাধ্য হয়। তাৰেই ফলশ্রুতিত অৱশেষত এই প্রচেষ্টাৰ যৱনিকা পৰে।

বহু বছৰৰ বিৰতিৰ অন্তত এপিএল কর্তৃপক্ষই পুনৰ আগৰ সেই একে নামতে গৃহ বার্তালোচনীখনৰ পুনৰ প্রকাশ কৰাৰ বাবে অতি আনন্দিত হৈছো আৰু এই আপাহতে আলোচনীখনৰ দীর্ঘায়ু কামনা কৰিলো।

**ভৱেশ বৰুৱা**
**প্রাক্তন উপ প্রৱন্ধক (জনসম্পর্ক)**
**এপিএল**

## THE BATTLE AGAINST COVID-19

The COVID 19 pandemic has crippled the world since the first case that was detected in Wuhan,China in December 2019. Since then the entire world is battling against the virus. The firstwave, the second wave and now the havoc of an impending third wave, life has become standstill.

With the rising cases of COVID-19, the 500 TPD Methanol and 200 TPD Formaldehyde Projects in progress, the pandemic posed a great threat to Assam Petrochemicals Limited as well. The project demanded manpower and with new workers coming from different parts of the country when Covid cases were on rise, it was a challenge for APL to continue. But with proper awareness, COVID protocols and strategies the organization was able to continue with good progress.

By the end of 2020 when the COVID positive cases had decreased significantly and most of the people had almost forgotten to follow

*Continued to P-6*

*Continued from P-5*

COVID protocols, our company had organized, " In-house training on prevention and protection against COVID-19," reminding and preparing everyone for an impending 2nd wave.

When the second wave hit, this time even more harder, our organization ensured that a COVID vigilance team is formed. The team ensures strict adherence of COVID protocols, proper sanitization and quarantine of positive cases and their contacts. When the company's cases were on rise, testing camps were organized at APL Hospital to screen out the positive cases at the earliest.

2021 brought a new ray of hope in the form of COVID-19 vaccine. As vaccination drives began across the globe, APL has also been organizing vaccination camps at its own hospital for all it's employees and their dependents to ensure safety of all. However the battle has not ended yet. Till then let us all continue to wear masks, maintain social distancing and follow proper hand hygiene.

Dr. Upangana Bhagabati

# এপিএল- এক মিঠা সোঁৱৰণ

"এ.পি.এল." - সুখ-দুখ, আশা-নিৰাশা, পোৱা-নোপোৱাৰ বহু মধুৰ স্মৃতি বিজড়িত এটা অতিকে চিনাকি আপোন নাম। প্ৰথম পৰিচয় হোৱা পাঁচটা দশক অতীত হৈ গ'লেও আজিও সকলোবোৰ কথা সৌ সিদিনাৰ যেনহে লাগি মানসপটত ভাঁহি আহে বহু ঘটনা-পৰিঘটনা। আজিৰ দ্ৰুত পৰিৱৰ্তনশীল ব্যস্ততাৰে ভৰা ভোগবাদী সমাজ ব্যৱস্থাৰ ধামখুমীয়াত কাৰোবাৰ পুৰণি স্মৃতিবোৰৰ ৰোমন্থন আজিৰ প্ৰজন্মৰ কাৰোবাৰ বাবে বিশেষ ফলদায়ক অথবা ৰসস্বাদনযুক্ত হ'ব বুলি মই নেভাবো। কিন্তু মোৰ ভ্ৰাতৃপ্ৰতিম পুৰণি সহকৰ্মী এজনৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি বিস্মৃতিৰ ঘুগুলাবোৰ জাৰি-জোকাৰি মনলৈ অহা কিছু কথা লেখিবলৈ ললো।

AIDC ৰ পৰিকল্পনা অনুযায়ী নামৰূপত নতুনকৈ স্থাপন কৰিবলৈ লোৱা মিথানল প্ৰকল্পত প্ৰশিক্ষাৰ্থী হিচাবে যোগদান কৰিবলৈ ১৯৭৩ চনৰ জুন মাহত বাতৰি কাকতত ওলোৱা বিজ্ঞাপন অনুযায়ী মই আৱেদন কৰো। উক্ত বিজ্ঞাপনত স্নাতক (Royal), ডিপ্লমা আৰু আই.টি.আই. উত্তীৰ্ণ প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছিল।

AIDC ৰ পাৰ্চনেল মেনেজাৰ শ্ৰদ্ধাৰ এম.চি. মেনা ডাঙৰীয়াই সেই বছৰৰে জুলাই মাহৰ কোনোবা এটা দিনত আমাৰ সাক্ষাৎকাৰ লৈছিল আৰু ১৬ আগষ্ট তাৰিখে আমি নিযুক্তি পত্ৰ লাভ কৰো। ২ বছৰীয়া প্ৰশিক্ষন কালত আমাৰ জলপানী আছিল বিজ্ঞানৰ স্নাতক আৰু ডিপ্লমাধাৰীসকলৰ বাবে মাহে ২৫০ টকাকৈ আৰু আই.টি.আই. উত্তীৰ্ণ সকলৰ বাবে মাহে ১৫০ টকাকৈ।

নিযুক্তি পত্ৰ পায় সেই দিনাই পাছবেলা শিৱসাগৰৰ কালুগাঁৱৰ ঘৰৰ পৰা ৫ টকা বাছ ভাড়া খৰছ কৰি নামৰূপত সন্ধিয়া সময়ত আহি উপস্থিত হওঁ। বাছৰ পৰা নমাৰ পাছতেই অচিনাকি নগৰখনৰ অপৰিচিত পৰিবেশটোক মোৰ বাবে তেনেই সহজ কৰি তুলিলে স্কুলীয়া দিনৰ সহপাঠী বন্ধু প্ৰসন্ন গগৈয়ে। তেওঁ মোক তাৰ পৰাই আগবঢ়াই আহি এ.পি.এলত আমাৰ বাবে নিৰ্দ্দিষ্ট কৰি থোৱা খেৰী ঘৰৰ হোষ্টেল পোৱালেহি। অতি দুখৰ কথা যে তেওঁ ইতিমধ্যে ইহ সংসাৰৰ পৰা মেলানি মাগিছে।

গধূলীলৈকে প্ৰায়বিলাক প্ৰশিক্ষাৰ্থীয়েই সেই দুকুৰিমান সৰু সৰু কোঠা থকা খেৰী হোষ্টেলটোত আহি উপস্থিত হৈছিলহি। পিছদিনা ৰাতিপুৱা অসমৰ বিভিন্ন ঠাইৰ পৰা অহা নতুন বন্ধুসকলৰ লগত চা-চিনাকি হৈ সকলোৰে লগত একতাৰ ডোলেৰে বান্ধ খাইছিলো। আমি বুজি পাইছিলো আমাৰ সকলোৰে লক্ষ্য আৰু উদ্দেশ্য একেই। একতাই যে শ্ৰমিকৰ ধৰ্ম হোৱা উচিত তাক বোধহয় সেই সময়তেই আমি বুজি উঠিছিলো। পিছৰ জীৱনত এই একতাৰ শক্তি আমি পদে-পদে অনুভৱ কৰিছিলো।

১৯৭৩ চনৰ ৰ চেপ্তেম্বৰৰ পৰা FCI ৰ (বৰ্তমানৰ BVFCL) ট্ৰেইনিং চেন্টাৰত আনুষ্ঠানিকভাৱে আমাৰ প্ৰশিক্ষন আৰম্ভ হয়। সেই সময়ত তাৰ ১ নং গোটটোৰ উৎপাদন চলি আছিল আৰু ২ নং গোটটোত ইটালীয়ান কাৰিকৰী লোকসকলৰ দ্বাৰা নিৰ্মীয়মান অৱস্থাত আছিল। তেওঁলোক বৰ ধেমেলীয়া স্বভাৱৰ হোৱা বাবে তেওঁলোকৰ লগত আমাৰ বন্ধুত্ব হৈছিল।

১৯৭৫ চনৰ ফেব্ৰুৱাৰী মাহত আমি সকলোৱে নিযুক্তি লাভ কৰো। অত্যন্ত কম বেতন পায়ো আমি নিৰ্মীয়মান অৱস্থাত থকা উদ্যোগটোৰ উৎপাদনৰ স্বাৰ্থত নিৰ্মাণ শ্ৰমিকসকলৰ দৰেই সকলোবিলাক শাৰীৰিক শ্ৰমৰ কাম বিনা দ্বিধাই কৰি গৈছিলো। Mitsubishi কোম্পানীৰ জাপানী কাৰিকৰী লোকৰ সংখ্যা আছিল ২৫ ৰ পৰা ৩০ জনমান। তেওঁলোকৰ মূৰব্বীজন অসাধাৰণ প্ৰশাসনিক আৰু কাৰিকৰী দক্ষতা থকা ব্যক্তি আছিল। তেওঁ আমাৰ লগতে সকলোকে কাম কৰি যাবলৈ উৎসাহিত কৰি নিজেও হাতে-কামে লাগি পৰিছিল।

সেই সময়ৰ প্ৰথম পৰিচালন সঞ্চালক শ্ৰদ্ধাৰ জি.এছ. হাৰ্নালি ডাঙৰীয়া এজন সামৰিক বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া আছিল। জেনেৰেল মেনেজাৰ আছিল শ্ৰদ্ধাৰ নগেন বুঢ়াগোহাঁই ডাঙৰীয়া। এজন সুদক্ষ প্ৰশাসনীয় বিষয়া হিচাবে তেওঁ অতি দক্ষতাৰে গোটটোৰ নিৰ্মাণ কাৰ্য পৰিচালনা কৰিছিল আৰু পাছলৈ পৰিচালন সঞ্চালক পদত অধিস্থিত হৈছিল।

অৱশেষত সকলোৰে সংঘবদ্ধ প্ৰচেষ্ঠাত ১৯৭৬ চনৰ জুন মাহৰ পৰা এ.পি.এল.ৰ ১ ম গোটটোৰ উৎপাদন কাৰ্য সুকলমে আৰম্ভ হয়।

**শ্ৰীযুত প্ৰকাশ বৰঠাকুৰ**
**অৱসৰপ্ৰাপ্ত প্ৰৱন্ধক (ইনষ্ট্ৰুমেনটেচন)**
**(পৰৱৰ্তী খণ্ড অহা সংখ্যাত)**

# মোক এখনি হৃদয় দিয়া

স্পন্দিত হৃৎপিণ্ডই হৃদয় নহয়
যেনেদৰে ওঁঠৰ হাঁহিয়েই
সুখৰ সংজ্ঞা নহয়।
হে' সুহৃদ,
মোৰ বুকুৰ মাজতো
এখন হৃদয় সৃষ্টি কৰি দিয়া
সেই হৃদয়েৰে
মই সেঁতু গঢ়িম
হৃদয়ৰ পৰা হৃদয়লৈ
হৃদয়ৰ পৰা আকাশলৈ

**মিলন গগৈ**

# আপদীয়া পদ্য

(লিমাৰিক)

পেডেল মাৰি গৈছিলো মই ডেটিঙলৈ বুলি,
চুইটহাৰ্টে খঙতে দিলে চাইকেলৰ চেইন খুলি,
নোলোৱা যদি বাইক
নকৰোঁ মই লাইক
বেংক বেলেন্স নাই যদি সম্পৰ্কক মাৰা গুলী।।

এনড্ৰইত মোবাইল হাতত লৈ শ্ৰীমতী বিজি,
এনিটাইম থাকে ফেচবুক হোৱাটচ এপত মজি,
পাকঘৰ দিলে বাদ
গাৰ্হস্থ্য কৰ্ম মূৰ্দাবাদ
পুৱা-গধূলি দিয়ে অৰ্ডাৰ কৰাঁগে লুচি-ভাজি।।

বতৰে অবতৰে ওৱাই-ঘূৱাই নাচি থাকোঁ বিহু,
ইনচাল্ট কৰিলে কোনোবাই কেনেকৈ বাৰু সহো
জয় ভাই অসমীয়া
ধোদ আমি যুগমীয়া
বিহুৰ নাম শুনিলেহে কঁকাল পোনাই বহো।।

আগুৱাৰ মেট্ৰিক হলেও হেনো তাই বৰ কাজী,
ইঞ্জিনীয়াৰ দৰা লাগিবই, নহলে নহয় ৰাজী,
বিপাণ্ডত পিতৃ-মাতৃ
জী হৈছে ঘৰবুঢ়ী
কামৰ নামত দিনৰ দিনটো ফেচবুকত থাকে বিজি।।

ফেচবুকৰ লাইক কমেন্টৰ কিনো আছে মেজিক,
তাকেই নাপালে চৰিত্ৰবোৰ হৈ যায় যে ট্ৰেজিক,
ভিন ভিন ষ্টেটাচ পঢ়িপঢ়ি বিন্দাচ
কৰি থাকো লাইক কমেন্ট ভাবি তাৰেই লজিক।

"মহামূৰ্খৰ বাকচ"ত বহি আৰামত,
বুদ্ধিজীবিয়ে টক্ কৰে, মহা ষ্টাইলত,
হে ষ্টাইলিছ ডেকা
ডিঙি কৰি বেঁকা
দুখীয়াৰ কথা কয় হাঁহি লৈ মুখত।।

ডায়মণ্ডৰ চেট লাগিবই-জীয়েকৰ দাবী,
টি.ভি.ফ্ৰীজ, ৱাশ্বিং মেচিনো যৌতুকত দিবি,
আৰু নগদ ধন
লগত নিবৰ যন
চাৰিচকীয়াখনো দিব পাৰিলেহে সন্মান বেচিকৈ পাবি।।

ফিটফাট জেন্টলমেন মিষ্টাৰ ঘোচখোৰ,
সপোনতো টকা নাপালে টোপনি নহয় পূৰ,
দিয়ে আয়কৰ ফাঁকি
কোনে লগাব নাকী
দুৰ্নীতিৰ পাশাখেলত হৈ থাকে বিভোৰ ।।

**ৰবী শইকীয়া**



**WELCOME TO APL FAMILY**

Dipesh Dey, Asstt. Manager (Prodn.)

# সন্দেহ

দুই মিনিটৰ গল্প

ঃ কথাটো পিছে ভাল হোৱা নাই। আটায়ে মন কৰিলেনে বাৰু?

আগে আগে হন্‌হনাই খোজ কাঢ়ি থকা নিৰোদ গগৈয়ে মাত লগালে। আটাই কেইটা গগৈৰ গহীন মাতত তভক লাগি ৰ'ল। আচলতে গধুলী হলেই নিৰোদ গগৈৰ স'তে-ভৰকান্ত বৰা, কুলধৰ চহৰীয়া আৰু নকুল পামেগামে আবাসীক কল'নীটোত কেবাপাকো মাৰে। নকুল পামেগামক বাদ দি বাকী কেইজনৰ অৱসৰ পাবলৈ বেছি দিন নাই যদিও স্বল্পভাষী তীখৰ বুদ্ধিৰ পামেগামো বেছ কিছু দিনৰ পৰাই অফিছ ছুটিৰ পাছত ক'লনিৰ কেউকাষৰ গলিবোৰত এপাক মাৰি গা গৰম কৰা দলটোৰ সদস্য হৈ আহিছে। নিতৌ ঘূৰে বাবে কলনিৰ প্ৰতিটো কোৱাৰ্টাৰৰ নক্সা আৰু তাৰ সদস্য সকলৰ ৰেহ ৰূপ তেওঁলোকৰ নখদৰ্পণত থাকে। সন্ধিয়া গহীন হৈ অহাৰ লগে লগে কাপোৰৰ জোতা এযোৰ পিন্ধি কালৈকো নোচোৱা আৰু খুব খৰ খোজেৰে আগবঢ়া চুটি-চাপৰ মেনেজাৰজনে ৰাতি কোনোবা এঘৰৰ দেৱাল পাৰ হৈ অহা অভিযানৰ পৰা আৰম্ভ কৰি এফ-টাইপৰ ষ্টেণ্ড কৰিবলগীয়া লৰাটোৰ খবৰলৈকে সকলোখিনি কথা এই যাত্ৰাটোৰ সময়চোৱাতেই আলোচনা হয়। আচলতে এই কেইজনৰ তীক্ষ্ণ দৃষ্টিৰ বাবেই আবাসীক কলনীটোত এতিয়ালৈকে পুৰীয়া খোৱা পিলিঙা ডেকাৰ দল অথবা ফুৰ্তিপানীৰ প্ৰভাৱত গা-ঘেলাই বাপেকক ডকা হকা দি বাইক্ কিনি লোৱা ভুচুং পছু কেইটাৰ উৎপাতত থাকিব নোৱাৰা অৱস্থা এটা হোৱাগৈ নাই। পিচে আজি কেইদিন মানৰ পৰা ক'লনিখনৰ প্ৰায় সোঁমাজত থকা প্ৰজ্ঞান বৰুৱাৰ ঘৰৰ পৰা ভাঁহি থকা চিঞৰৰ বাখৰ বোৰেহে দলটোক সচকিত কৰি তুলিছিল। আজিও সেই একেটা ঘটনাৰেই পুনৰাবৃত্তি ঘটিল।

ঃ আই ঔ ! মৰিলো ঔ !

সেয়া প্ৰজ্ঞান বৰুৱাৰ নতুনকৈ বিয়া কৰাই অনা বোৱাৰীজনীৰ মুখৰ মৰণ কাতৰ আৰ্ত্তনাদ।

ঃ সেইফালে গৈছে। ধৰ্ - ধৰ্, মাৰ-মাৰ। লাঠিডাল আন। কোবাই দে।

ক্ষন্তেক পাছতে শুনা সেয়া প্ৰজ্ঞান বৰুৱাৰ চিঞৰ। বৰুৱাৰ স'তে ঘৈণীয়েকেও একে উত্তেজনাৰে চিঞৰিছে।

ঃ নাহিবি, নাহিবি। এই ফালে আহিছে। আই ঔ ! মৰিলো ঔ !

বোৱাৰীজনীয়ে আকৌ চিঞৰি উঠিল। সমান গতিত প্ৰজ্ঞান বৰুৱা আৰু ঘৈণীয়েক জনীৰ চিঞৰ-বাখৰ আৰু খেদি যোৱা শব্দ। নাই নহব। নিৰোদ গগৈৰ গাৰ তেজ উতলি উঠিল। কেইদিন মান আগেয়ে অহা ফুল-কুমলীয়া মৰমলগা ছোৱালী জনীৰ ওপৰত এনে অত্যাচাৰ সহ্য কৰিব নোৱাৰি। সেই তাহানিতে ইউনিয়ন খেলা দিনৰে পৰা প্ৰজ্ঞান বৰুৱাৰ সতে গগৈৰ খুত-খাত লাগি আছিল। এতিয়া বয়স হোৱাত এইবোৰ পাহৰি দুয়োৰে মাজত বন্ধুত্বই পুনৰ কুৰুং-কাৰাং কৰিবলৈ লোৱাৰ সময়তে এনেবোৰ ঘটনা ঘটিল।

ঃ হেৰা বৰা, চহৰীয়া আৰু পামেগাম। এনেদৰে আৰু চলিব দিব- নোৱাৰি। আজিয়েই কিবা এটা হেস্ত-নেস্ত হব লাগিব। পিচে শুনা, তোমালোকে যদি মোক লগ নিদিয়া এই বুঢ়াই অকলশৰেই সেই লাঠিডালৰ আগত থিয় দিব।

এই বুলি নিৰোদ গগৈ সোঁ-সোঁৱাই গৈ প্ৰজ্ঞান বৰুৱাৰ পদূলিত থিয় হল। বাকী কেইজনেও তেওঁৰ পিচ ললে। ঠিক জপনাখন খুলিব লওঁতেই ধাৰামকৈ দুৱাৰ খুলি বৰুৱা ওলাই আহিল। মুখমণ্ডলত যুদ্ধজয়ৰ উত্তেজনা গধুলীৰ আধা আন্ধাৰ আধা পোহৰতো লক্ষ্য কৰিব পাৰি। মানুহজনে সোঁহাতত কিবা এটা ওলোমাই লৈ আহিছে। হঠাৎ মানুহ কেইজনক দেখি তেওঁ তভক মাৰি ৰ'ল যদিও চিনিব পৰাত মুখত হাঁহি বিৰিঙি উঠিল।

ঃ হেৰি, আহক আহক। আপোনালোক ভাল সময়তে আহিলে। এইটোৱে আমাৰ ঘৰখনক ভাল বিহু দেখুৱালে। বোৱাৰীজনীক বেছেৰী কম কষ্টখন দিলে নে? ভাল যেনিবা এওঁ আৰু মই দিনে নিশাই কষ্ট কৰি আজিহে তাক বধিব পাৰিলো। বোৱাৰী যোৱাচোন এই ভাল ক্ষণত আমাৰ আটাইৰে কাৰণে একো কাপ কড়াকৈ বনোৱা গাখীৰ চাহ লৈ আনা।

গগৈ হঁতে প্ৰজ্ঞান বৰুৱাৰ হাতত থকা প্ৰকাণ্ড ভোকোৰা এন্দুৰটোলৈ ৰ লাগি চাই ৰল। বোৱাৰীজনী লাজ লাজকৈ ভিতৰলৈ দৌৰ দিলে।

**বিকাশ চৌধুৰী**

# সোনালী জয়ন্তী বৰ্ষত বিদ্যুৎ বিভাগৰ চমু অৱলোকন ...

এ.পি.এল.ৰ বিভিন্ন বিভাগৰ ভিতৰত এটা অন্যতম বিভাগ হ'ল বিদ্যুৎ বিভাগ যাৰ বৈদ্যুতিক শক্তিৰ নিৰৱচ্ছিন্ন আলোকত এ.পি.এল.ৰ জয়যাত্ৰা সম্ভৱ হৈছে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা 33 KV পৰিবহন লাইনেৰে 2 MW আৰু নিজাববীয়াকৈ Steam Turbo Generatorৰ জৰিয়তে সৰ্বোচ্চ 510 KW শক্তিৰ আধাৰ আমাৰ এ.পি.এল.ৰ বিদ্যুৎ বিভাগ। সমগ্ৰ প্ৰক্ৰিয়াটো পৰিচালনাৰ বাবে Shift Duty Mannerত ৫জন বিষয়া, ২২জন কৰ্মচাৰী আৰু General duty mannerত বিভাগীয় মূৰব্বীসহ ৪জন বিষয়া আৰু ৩জন কৰ্মচাৰী সহ মুঠ ৩৪জন বিষয়া-কৰ্মচাৰীৰ লগতে Township Maintenanceৰ নামত ৪জন ঠিকাভিত্তিক কৰ্মচাৰী আছে বিদ্যুৎ বিভাগত।

আশীৰ দশকত প্ৰতিষ্ঠা কৰা বৰ্তমানৰ 100 TPD মিথানল প্ৰকল্পৰ বিদ্যুৎ বিভাগ আচলতে সময়ৰ লগে লগে আওপুৰণি হৈ আহিছে। আজি একবিংশ শতিকাত উপনীত হৈ যিকোনো এজন লোকে উপলব্ধি কৰিব পাৰিব যে বৰ্তমানৰ প্ৰযুক্তি বিদ্যা তথা যন্ত্ৰ-পাতিসমূহ কিমান উন্নত পৰ্যায়লৈ উন্নিত হ'ল। তেনেস্থলত ৮০ ৰ দশকত প্ৰচলন হোৱা যন্ত্ৰ-পাতিৰে কেনেদৰে এটা বিভাগ আজিৰ তাৰিখতো কাৰ্যক্ষম হৈ থাকিব পাৰে সেই কথা বহলাই কোৱাৰ কোনো প্ৰয়োজনেই নাই। বিদ্যুৎ বিভাগত ব্যৱহৃত হৈ থকা প্ৰায় বিলাক সামগ্ৰীয়েই এতিয়া বজাৰত পাবলৈ নাই বা প্ৰায়বিলাক সামগ্ৰীয়ে এটা অতি উন্নত ৰূপ পাইছে। এই উন্নত আৰু পুৰণি বিভিন্ন সামগ্ৰীৰে সংমিশ্ৰণ কৰি বিদ্যুৎ বিভাগটো সফলভাৱে কাৰ্যক্ষম কৰি ৰখাত ইয়াৰ কৰ্মচাৰীসকলে অহোপুৰুষাৰ্থ কৰি আহিছে আৰু তাৰ বাবে প্ৰতিজন কৰ্মচাৰী বিশেষভাৱে ধন্যবাদৰ পাত্ৰ। আমি আশা কৰিছো সময়ৰ লগত ফেৰ মাৰি এ.পি.এল.ৰ উৎপাদন ক্ষমতা নিৰৱচ্ছিন্ন ভাৱে বৰ্তাই ৰাখিবলৈ এ.পি.এল.ৰ বিদ্যুৎ বিভাগ সক্ষম হ'ব।

এতিয়া 500 TPD মিথানল সম্প্ৰসাৰণ গোটৰ জৰিয়তে এ.পি.এল.ৰ ঔদ্যোগিক যাত্ৰা অক্ষুন্ন ৰখাৰ প্ৰয়াস কৰা হৈছে। নতুন সম্প্ৰসাৰণ গোটত শেহতীয়া প্ৰযুক্তি বিদ্যা তথা যন্ত্ৰ-পাতি সংযোজন কৰা হৈছে। আশা কৰিছো নতুন গোটতো বিদ্যুৎ বিভাগৰ কাম প্ৰশংসনীয় হ'ব আৰু উৎপাদন প্ৰক্ৰিয়াত বৃহৎ সহযোগী হ'ব।

এ.পি.এল.ৰ ৫০ বছৰীয়া এই গৌৰৱোজ্জ্বল পৰিক্ৰমাত অনেকজনে অৱসৰ গ্ৰহণ কৰিলে আৰু অনেকজন কৰ্মৰত অৱস্থাতে অকালতে আমাৰ মাজৰ পৰা হেৰাই গ'ল। অৱসৰ গ্ৰহণ কৰা প্ৰতিজন ব্যক্তিলৈ আমাৰ শ্ৰদ্ধা আৰু সেৱা জনোৱাৰ লগতে স্বৰ্গগামী হোৱা প্ৰতিজন ব্যক্তিলৈ আমাৰ শতকৌটি শ্ৰদ্ধা থাকিল। এ.পি.এল.ৰ যাত্ৰাপথত এইসকল লোকৰ অৱদান উত্তৰ পুৰুষে সদায়েই স্মৰণ কৰিব। এ.পি.এল.ৰ জয়যাত্ৰা অব্যাহত থাকক .... এই আশাৰে ....

নিত্যানন্দ হাজৰিকা।



500 TPD METHANOL PROJECT

**Inaugural moment of Amar APL's Golden Jubilee Issue**



*In the fifth issue of 'Amar APL' few of the important events may be left out which will be included in the next edition of the newsletter. We apologize for any unintentional error.*

Editorial Committee

## 'Āmār APL' Editorial Board :

**Advisors :**

Shri Atul Ch. Barman - Managing Director
Shri K.A. Murali - Director ( Finance)
Shri D. Bhattacharyya - Gr.G.M. ( Plant & Mktg.)
Shri S.K. Mahanta - GM( Maintenance)
Shri B. Choudhury - DGM(HR)

**Editorial Committee:**

Shri Manojyoti Borgohain - Editor
Shri Angshuman Dutta - Sub-editor
Shri Shyamanta Kr. Sarmah - Member
Shri Joydeep Dam - Member

## FLASHBACK


QUARTERLY ÂMAR APL
PROMOTED TO CGM
NATIONAL SAFETY DAY OBSERVED

August 1991 Issue of ĀMĀR APL